# মৰমৰ পৃথিৱী




আভাইয়াৰ

অংকন শিল্পী:
মুৰালী নাগাপুঝা

তামিলৰ পৰা অনুবাদ কৰিছে
গীতা ধৰ্মৰাজনে।

‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক



মৰমৰ পৃথিৱী



সেউজীয়া পথাৰ
অথবা অৰণ্য



ওখ পাহাৰ
অথবা উপত্যকা



তুমি আমাক
প্ৰতিপালন কৰা।



যেতিয়া আমিও তোমাক
প্ৰতিপাল কৰোঁ



হেঁপাহৰ পৃথিৱী
তুমি দীৰ্ঘজীৱি হোৱা

# টাডা!

## 1 ভাবা

এজন বিখ্যাত লেখকে এবাৰ কৈছিল ‘তুমি যদি সকলোৱে পঢ়া কিতাপ সমূহকেই পঢ়া, তেন্তে তুমি সকলোৱে চিন্তা কৰা কথাবোৰতকৈ অধিক চিন্তা কৰিব নোৱাৰিবা।’ তেওঁ বাৰু শুদ্ধ কথা কৈছিলনে?

## 2 প্ৰশ্ন কৰা

আভাইয়াৰে লেখা ২৫ টা শব্দৰ কবিতাটোত তুমি কি বেলেগ শিকিলা? আভাইয়াৰৰ ‘বিগ আইডিয়া’ৰ বিশেষত্ব কি?

## 3 আলোচনা কৰা

আমাৰ প্ৰিয় পৃথিৱীখনক আনন্দিত কৰিবৰ বাবে তুমি যদি কেৱল মাত্ৰ এটা কাম কৰিব লগীয়া হয়, তুমি কি কৰিবা?

## 4 কাৰ্য কৰা

গছ হ'ল পৃথিৱী মাতৃৰ সন্তান। পৃথিৱী মাতৃয়ে তেওঁৰ গছ নামৰ সন্তানবোৰৰ দ্বাৰা আমাক প্ৰতিপালন কৰে। তুমি এজোপা গছৰ যত্ন লৈ পৃথিৱী মাতৃৰ ধাৰ সুজিব পাৰিবানে?

## 5 কাৰ্য সম্পাদন

আমাৰ এই প্ৰাচীন পৃথিৱীত
যদি এজনো দয়ালু সন্তান থাকে,
তেন্তে তেওঁৰ বাবেই
সকলোৱে বৰষুণ পাব।

তুমি এজোপা গছৰ যত্ন লৈ পৃথিৱী মাতৃৰ ধাৰ সুজিব পাৰিবানে?

দয়ালু হোৱাৰ বাবে কেইটামান সহজ উপায় পিছৰ পৃষ্ঠাত দিয়া হ'ল!

# দয়ালু হোৱাৰ ৯টি **উপায়**

আমি দয়ালু হ'ব পাৰোঁ এনে উপায়েৰে--

আনক সহায় কৰি

আনৰ সুখত সুখী হৈ

আনক সজ কথা কৈ

বন্ধুসকলক উৎসাহিত কৰি


আনৰ যত্ন লৈ

সজ আচৰণ কৰি

বেলেগে কথা ক'লে আমি শুনি থাকি

হাঁহি থাকি

ভাগ-বতৰা কৰি




# পঢ়া!
# বুজি পোৱা!
# আলোচনা কৰা!

## বহুত বছৰৰ আগতে

- প্ৰায় ২৫০০ বছৰ আগত, সমগ্ৰ দক্ষিণ ভাৰতক তামিলাকাম বুলি কোৱা হৈছিল।
- জ্ঞানী, আৰু মহান ৰজাসকলে তামিলাকাম শাসন কৰিছিল।
- নাচ, গান, কবিতা তথা চাৰু-কলা এই সকলোবোৰ ৰজাই ভাল পাইছিল।
- তেওঁলোকে কবিসকলৰ কবিতা আৰু গান শুনিবৰ বাবে একেলগে বহুতো কবিক আমন্ত্ৰণ জনাইছিল।

## যেতিয়া ৪০০ জন কবিয়ে একেলগে গাইছিল...

- ইতিহাসবিদসকলে কৈছিল যে সেই স্থানত তিনিটি সঙ্গম আছিল।
- এই সঙ্গম ক্ষেত্ৰ কেইখন কবিসকলৰ বিশাল সমাবেশস্থলী হিচাপে পৰিগণিত হৈছিল।
- সঙ্গম যুগত প্ৰায় ৪০০ জন কবিয়ে তামিল কবিতা লিখিছিল।
- পৰামৰ্শ দিবৰ বাবেও ৰজাই বহু কবিক নিমন্ত্ৰণ t জনাইছিল।



## সেই সময়ত আভাইয়াৰ নামৰ কবি এজন আছিল....

- আভাইয়াৰ আছিল এগৰাকী অতি জ্ঞানী বৃদ্ধা মহিলা।
- তেওঁ এগৰাকী কবি আছিল।
- তেওঁ ৰজাৰ লগতে তেওঁৰ কথা শুনি ভালপোৱা প্ৰজাসকলক বিভিন্ন উপদেশ দিছিল।
- বহু লোকে কয়, ২৩০০ বছৰ আগতে আভাইয়াৰে বাস কৰিছিল।
- বিভিন্ন গল্পৰ পৰা জনা যায় যে, সেই সময়ত খালি ভৰিৰে আভাইয়াৰ দক্ষিণ ভাৰতৰ বিভিন্ন ঠাই ঘুৰি ফুৰিছিল।
- তেওঁ কৃষকৰ পৰিয়ালৰ লগত থাকিছিল।
- তেওঁ গানে সকলোকে আনন্দ দিছিল।

## ভগৱান ক'ত আছে?

এদিন আভাইয়াৰে এটি পুৰণি মন্দিৰিত বিশ্ৰাম কৰি আছিল। তেওঁৰ ভৰি দুটা ভগৱান শিৱৰ মূৰ্তিৰ দিশত আছিল। তেতিয়া মা পাৰ্বতীৰ বহুত খং উঠিল আৰু আভাইয়াৰক তিৰস্কাৰ কৰি ভগৱান শিৱক অসন্মান কৰাৰ বাবে গালি পাৰিলে। আভাইয়াৰে অতি শান্ত ভাৱে ক'লে যে, মা মই বৰ দুঃখিত। দয়া কৰি মোক কৈ দিয়ক, ভগৱান ক'ত নাই। তেওঁ য'ত নাই মই সেই দিশতেই ভৰি দিম।

তেতিয়া মা পাৰ্বতীয়ে হাঁহি মাৰি ক'লে, হয় তুমি ঠিকেই কৈছা। ভগৱান সকলোতে আছে।

উৎস: নেশ্যনেল জিওগ্ৰাফিক, জেএসটিঅ'আৰ (JSTOR) উইকিপিডিয়া।

গীতা ধৰ্মৰাজন তামিলনাডুৰ টাঞ্জাভুৰ জিলাৰ বাসিন্দা আছিল। তেখেত এজন শিশু সাহিত্যিক আছিল। ১৯৮৮ চনত তেখেতে ‘কথা’ সাহিত্য আৰম্ভ কৰিছিল।বিভিন্ন বঁটাৰ লগতে তেখেতে সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত পদ্মশ্ৰী বটা লাভ কৰিছিল।

মুৰালী নাগাপুঝা কেৰালাৰ নাগাপুঝা গাঁৱত ডাঙৰ-দীঘল হৈছিল। সৰুতে ঘৰৰ আশে-পাশে থকা সেউজীয়া গছ-গছনিবোৰক তেওঁ বহুত ভাল পাইছিল। সেয়েহে তেওঁৰ শিল্প কৰ্মত সেউজীয়া পৰিৱেশৰ প্ৰভাৱ দেখা যায়।

# KATHA

‘কথা’ বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।"

**- নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

‘পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল ‘কথা’।

**- চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

‘কথা’ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে ‘কথা’ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।

**-টাইম আউট।**

‘কথা’ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিবৰ্তন আনিব পাৰে।

**-পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণ প্ৰথম প্ৰকাশ হৈছিল ২০২১ চনত।
গ্ৰন্থস্বত্ব © কথা, 2020, 2021
অনুবাদ স্বত্ব © গীতা ধৰ্মৰাজন
অংকন স্বত্ব © মুৰালী নাগাপুঝা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।

১৯৮৮ চনত স্থাপিত ‘কথা’ এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। ‘কথা’ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে ‘কথা’ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক ‘গ্ৰেড লেবেল’ পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




‘আই লাভ ৰিডিং লাইব্ৰেৰী’ হ'ল গ্ৰন্থৰ এক অনন্য ছিৰিজ, যি নতুন আৰু দুৰ্বল পাঠকসকলক সলসলীয়াকৈ পঢ়িবলৈ সুবিধা প্ৰদান কৰে।ই বিদ্যালয়ৰ বিভিন্ন স্তৰত থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুসৰি উচ্চমানৰ বিষয়বস্তু আৰু চিত্ৰৰ লগতে বিশ্বৰ বৰেণ্য সাহিত্যিকৰ সৃষ্টি আৰু শিল্প কৰ্মক একত্ৰিত কৰিছে। আমাৰ গ্ৰন্থসমূহ গীতা ধৰ্মৰাজনৰ ‘ষ্টৰি পেদাগজী’ত প্ৰকাশ কৰা হৈছে। ই হৈছে এক অন্যতম শিক্ষামূলক মডেল, য'ত বিশেষভাৱে প্ৰথম প্ৰজন্মৰ পাঠকসকলৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু শিশুক উচ্চ ধাৰণা আৰু এখন আকৰ্ষণীয় জগতলৈ লৈ যোৱা হয়।(TA-DAA! ভাবক, প্ৰশ্ন কৰক, আলোচনা কৰক,কাৰ্য কৰক আৰু অৰ্জন কৰক)

‘কথা’ৰ ‘হলিষ্টিক আৰ্লি লাৰ্নিং (KHEL) লেব’-এ চৰকাৰী, অ-লাভজনক আৰু বেচৰকাৰী স্কুল শিক্ষকৰ বাবে বিভিন্ন কৰ্মশালাৰ আয়োজন কৰে।অনলাইনত হোৱা এই মুখামুখি (F2F— Face-to-Face) কৰ্মশালাসমূহে শিক্ষক, বিদ্যালয়ৰ প্ৰশাসক আৰু সেস্বাসেৱকসকলক চাৰ্টিফিকেট প্ৰদান কৰে। অধিক জানিবলৈ, এই ঠিকনাত যোগাযোগ কৰক-300m@katha.org

এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক


































FOR OUR BOOKS

www.books.katha.org

ভাৰতীয় প্ৰকাশন ইতিহাসত 'কথা' হৈছে এক বিশেষ আৰু অনন্য সংযোজন।

–দা আইকনিক টাইমছ দা ইকনমিকছ টাইমছ

শিশুসকলৰ বাবে

কথা গ্ৰন্থ

ISBN 978-93-88284-81-3

9 789388 284813

www.katha.org

₹ xxx

এই ক্ষ চিহ্নিত